# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 09-07-2025
**Time :** 1340 hrs

ASSAMESE MIDDAY BULLETIN

## HEADLINES

::::::::::::::::::

১।	প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁ পাঁচখন দেশ ভ্ৰমণসূচীৰ চূড়ান্ত পৰ্যায়ত আজি নামিবিয়াৰ ৰাজধানী ৱিণ্ডহোকত উপস্থিত হয়।

২।	ভাৰতত সন্ত্ৰাসবাদী আক্ৰমণৰ বাবে সামগ্ৰী আহৰণ কৰিবলৈ ই-বাণিজ্য মঞ্চসমূহৰ ব্যৱহাৰ কৰা হয় বুলি এফ এ টি এফ-এ প্ৰকাশ কৰিছে।

৩।	গুজৰাটৰ পাড্ৰাৰ সমীপত দলং খহি পৰা ঘটনাত ৯জন লোকে প্ৰাণ হেৰুৱাইছে।

৪।	দিল্লীৰ এখন আদালতে আজি ২৬ নৱেম্বৰত সংঘটিত মুম্বাই সন্ত্ৰাসবাদী আক্ৰমণৰ ষড়যন্ত্ৰকাৰী তাহাবুৰ ৰাণাৰ ন্যায়িক জিম্মাৰ ম্যাদ ১৩ আগষ্টলৈ বৃদ্ধি কৰে।

**আৰু**

৫।	উইম্বলডন টেনিছ প্ৰতিযোগিতাত লণ্ডনৰ অল ইংলেণ্ড ক্লাবত আজি কেইবাখনো কোৱাৰ্টাৰ ফাইনেল খেল অনুষ্ঠিত হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁ পাঁচখন দেশ ভ্ৰমণসূচীৰ চূড়ান্ত পৰ্যায়ত আজি নামিবিয়াৰ ৰাজধানী ৱিণ্ডহোকত উপস্থিত হয়। বিমান বন্দৰত তেওঁক দেশখনৰ আন্তঃৰাষ্ট্ৰীয় সম্পৰ্ক আৰু বাণিজ্য দপ্তৰৰ মন্ত্ৰী ছেলমা আশ্বিপালা - মুছাৱিয়ে আদৰণি জনায়। প্ৰধানমন্ত্ৰী মোদীৰ সন্মানাৰ্থে আয়োজন কৰা আড়ম্বৰপূৰ্ণ অনুষ্ঠানত তেওঁক পৰম্পৰাগত গৰ্বা নৃত্যৰে আদৰণি জনোৱা হয় আৰু যোগাভ্যাস প্ৰদৰ্শন কৰা হয়। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত শ্ৰীমোদীয়ে, নামিবিয়াক আস্থাপূৰ্ণ আফ্ৰিকীয় সহযোগী দেশ বুলি অভিহিত কৰি শ্ৰীমোদীয়ে কয় যে দেশখনৰ সৈতে দ্বিপাক্ষিক সহযোগিতা বৃদ্ধি কৰাৰ প্ৰতি ভাৰতবৰ্ষ আগ্ৰহী। নামিবিয়াৰ সংসদত আজি দেশখনৰ ৰাষ্ট্ৰপতি ড০ নেটুম্বো নান্দি ন্‌ডৈটৱাক সাক্ষাৎ কৰিবলৈ আগ্ৰহেৰে অপেক্ষা কৰি আছে। ভ্ৰমণকালত ভাৰত ভাৰত আৰু নামিবিয়াৰ মাজত প্ৰতিনিধি পৰ্যায়ৰ আলোচনা অনুষ্ঠিত হ'ব। আলোচনাৰ অন্তত শক্তি সুৰক্ষা, স্বাস্থ্য সেৱা আৰু ভেষজকে ধৰি গুৰুত্বপূৰ্ণ খণ্ডসমূহত সহযোগিতাৰ সম্প্ৰসাৰণৰ লক্ষ্যৰে কেইবাখনো বুজাবুজি চুক্তিত স্বাক্ষৰ হোৱাৰ সম্ভাৱনা আছে। শ্ৰীমোদীয়ে ভ্ৰমণ কালত দেশখনৰ প্ৰতিষ্ঠাপক তথা প্ৰথম ৰাষ্ট্ৰপতি প্ৰয়াত ডং চেম নুজোমালৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰিব। ইয়াৰ উপৰি  দ্বিপাক্ষিক সম্পৰ্ক সুদৃঢ়কৰণৰ ক্ষেত্ৰলৈ আগবঢ়োৱা অৱদানৰ স্বীকৃতিস্বৰূপে শ্ৰীমোদীক নামিবিয়াৰ সৰ্বোচ্চ অসামৰিক সন্মান প্ৰদান কৰা হ'ব। পাছত শ্ৰীমোদীয়ে দেশখনৰ সংসদত ভাষণ দিব।

০০০০০

ভাৰতত সন্ত্ৰাসবাদী আক্ৰমণৰ বাবে সামগ্ৰী আহৰণ কৰিবলৈ ই-বাণিজ্য মঞ্চসমূহৰ ব্যৱহাৰ কৰা হয় বুলি সন্ত্ৰাসবাদী সংগঠনলৈ পুঁজি যোগানৰ ঘটনা নিৰীক্ষণৰ বাবে থকা গোলকীয় সংস্থা বিত্তীয় কাৰ্যবাহিনী এফ এ টি এফ-এ প্ৰকাশ কৰিছে। জম্মু-কাশ্মীৰৰ পুলৱামা আক্ৰমণ আৰু উত্তৰ প্ৰদেশৰ গোৰখনাথ মন্দিৰৰ ওপৰত হোৱা আক্ৰমণত এই কথা পোহৰলৈ আহিছে। এফ এ টি এফ-এ  সন্ত্ৰাসবাদী সংগঠনলৈ পুঁজি যোগান সম্পৰ্কীয় বিস্তৃত প্ৰতিবেদনত সন্ত্ৰাসবাদীলৈ পুঁজি যোগানৰ বাবে সামাজিক মাধ্যম, বাৰ্তা প্ৰেৰণৰ এপ আৰু পুঁজি সংগ্ৰহৰ ছাইটসমূহৰ অপব্যৱহাৰ কৰা হৈছে বুলি কোৱা হৈছে। প্ৰত্যক্ষ বিত্তীয় সহায়, ৰছদপাতি যোগান আৰু সা-সামগ্ৰী যোগান আৰু প্ৰশিক্ষণ ব্যৱস্থাকে ধৰি বিভিন্ন ক্ষেত্ৰত ভিন ভিন ধৰণে সহায় আগবঢ়োৱা হৈছে বুলিও প্ৰতিবেদনত উল্লেখ কৰা হৈছে। ২০১৯ চনত সংঘটিত পুলৱামা আক্ৰমণৰ সময়ত এগৰাকী আত্মঘাটী বোমাৰুৱে সুৰক্ষা বাহিনীক লক্ষ্য কৰি লৈছিল আৰু এই আক্ৰমণত ৪০গৰাকী সৈনিক নিহত হৈছিল। জইছ্-ই-মহম্মদে এই আক্ৰমণৰ ষড়যন্ত্ৰ কৰা বুলি তদন্তত প্ৰকাশ পাইছিল। এই আক্ৰমণত ব্যৱহৃত বিস্ফোৰক সঁজুলিৰ এটা গুৰুত্বপূৰ্ণ উপাদান ই-বাণিজ্যিক মঞ্চৰ জৰিয়তে ক্ৰয় কৰা হৈছিল। যোৱা জুনত বিত্তীয় কাৰ্যবাহিনীয়ে পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণক গৰিহণা দি বিত্তীয় সাহায্য অবিহনে এনে ধৰণৰ আক্ৰমণ সম্ভৱ নহয় বুলি প্ৰকাশ কৰিছিল।

০০০০০

গুজৰাটৰ বডোডৰা জিলাৰ পাড্ৰাৰ সমীপত আজি পুৰা এখন দলং খহি পৰাত ৯জন লোকে প্ৰাণ হেৰুৱায় আৰু অন্য কেইবাজনো আহত হয়। আনন্দ আৰু বডোডৰা সংযোগী গম্ভীৰা দলঙৰ এটা অংশ খহি পৰাৰ ফলত পাঁচখন বাহন মহীসাগৰ নদীত পৰি যায়। বডোডৰা জিলা প্ৰশাসন আৰু স্থানীয় কৰ্তৃপক্ষই ততালিকে উদ্ধাৰ অভিযান আৰম্ভ কৰে। আনন্দৰ পৰা অগ্নিনিৰ্বাপন বিভাগৰ তিনিটা দল উদ্ধাৰ আৰু সাহায্য অভিযানত সহায় কৰাৰ উদ্দেশ্যে নাৱৰ সৈতে ঘটনাস্থলীত উপস্থিত হৈছে। বডোডৰাৰ জিলাধিপতি অনিল ধমেলিয়াই ব্যাপক উদ্ধাৰ আৰু সাহায্য অভিযান অব্যাহত আছে বুলি জনাইছে। ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনীৰ এটা দল বিশেষ সা-সঁজুলিৰ সৈতে উদ্ধাৰ অভিযানত নামি পৰিছে। নৈত ডুব যোৱা বাহনকেইখন উলিয়াই থকা হৈছে। ইপিনে, গুজৰাট চৰকাৰে দলং খহি পৰাৰ কাৰণ উদঘাটন কৰাৰ বাবে কাৰিকৰী বিশেষজ্ঞৰ এটা দল প্ৰেৰণ কৰিছে। দলটোক বিশদ প্ৰতিবেদন দাখিল কৰিবলৈ কোৱা হৈছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই ঘটনাক লৈ গভীৰ শোক প্ৰকাশ কৰিছে। প্ৰধানমন্ত্ৰীয়ে এটা বাৰ্তাযোগে এই ঘটনাত নিহত লোকসকলৰ পৰিয়ালবৰ্গলৈ সমবেদনা প্ৰকাশ কৰিছে আৰু আহতসকলৰ আশু আৰোগ্য কামনা কৰিছে। তেওঁ লগতে প্ৰধানমন্ত্ৰীৰ ৰাষ্ট্ৰীয় সাহায্য পুঁজিৰ পৰা নিহত লোকসকলৰ নিকটাত্মীয়লৈ ২ লাখ টকাকৈ আৰু আহতসকলক ৫০ হাজাৰ টকাকৈ এককালীন সাহায্য আগবঢ়োৱাৰ কথা ঘোষণা কৰিছে।

০০০০০

দিল্লীৰ এখন আদালতে আজি ২৬ নৱেম্বৰত সংঘটিত মুম্বাই সন্ত্ৰাসবাদী আক্ৰমণৰ ষড়যন্ত্ৰকাৰী তাহাবুৰ ৰাণাৰ ন্যায়িক জিম্মাৰ ম্যাদ ১৩ আগষ্টলৈ বৃদ্ধি কৰে। ৰাষ্ট্ৰীয় তদন্তকাৰী সংস্থাই ৰাণাৰ বিৰুদ্ধে পৰিপূৰক অভিযোগনামা দাখিল কৰাৰ পাছতেই ন্যায়ালয়ে এই নিৰ্দেশ দিয়ে। অভিযোগ নামাত গ্ৰেপ্তাৰী পৰোৱানা আৰু জব্দ কৰা অন্য নথিও দাখিল কৰে।

০০০০০

ভাৰতৰ পুৰুষ হকী খেলুৱৈ এ দলে কালি নেডাৰলেণ্ডছৰ আইণ্ডোভেনত অনুষ্ঠিত এখন খেলত আয়ৰলেণ্ডক ৬-১ গ'লত পৰাস্ত কৰি ইউৰোপীয় ভ্ৰমণৰ পাতনি মেলে। ভাৰত আজি নিশা চাৰে ৯ বজাত হ'বলগীয়া আন এখন খেলত পুনৰ আয়ৰলেণ্ডৰ সন্মুখীন হ'ব।

০০০০০

উইম্বলডন টেনিছ প্ৰতিযোগিতাত আজি লণ্ডনৰ অল ইংলেণ্ড ক্লাবত কেইবাখনো কোৱাৰ্টাৰ ফাইনেল খেল অনুষ্ঠিত হ'ব।

পুৰুষৰ ছিংগলছত ইটালীৰ জানিক চিনাৰ আমেৰিকা যুক্তৰাষ্ট্ৰৰ বেন ছেল্টনৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। পুৰুষ শাখাৰ আন এখন খেলত ইটালীৰ ফ্লেভিঅ' কোবোলীয়ে ২৪টাকৈ গ্ৰেণ্ড শ্লেম খিতাপ বিজয়ী ছাৰ্বিয়াৰ ন'ভাক জ'ক'ভিছৰ মুখামুখি হ'ব। ইপিনে মহিলাৰ ছিংগলছৰ কোৱাৰ্টাৰ ফাইনেলত পোলেণ্ডৰ ইগা শ্বিয়াটেক ৰাছিয়াৰ ল্যুডমিলা ছেমছোন'ভাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। এই শিতানৰ আন এখন খেলত ৰাছিয়াৰ মীৰা এণ্ড্ৰিৱা ছুইজাৰলেণ্ডৰ বেলিণ্ডা বেনছিকৰ মুখামুখি হ'ব।

০০০০০

ইণ্ডোনেছিয়াই জাকাৰ্টাৰ ছেনায়নত চলিত বৰ্ষৰ আৰ্টিষ্টিক জিমনাষ্টিকছ বিশ্ব চেম্পিয়নশ্বিপছৰ আয়োজন কৰিবলৈ সাজু হৈছে। প্ৰতিযোগিতাখন ১৯ অক্টোবৰৰ পৰা ২৫ অক্টোবৰলৈ অনুষ্ঠিত হ'ব। এইবেলি প্ৰথমবাৰৰ বাবে দক্ষিণ-পূব এছিয়াৰ কোনো এখন ৰাষ্ট্ৰই এই আগশাৰীৰ প্ৰতিযোগিতাখন আয়োজন কৰিছে।

ইণ্ডোনেছিয়াৰ জিমনাষ্টিকছ ফেডাৰেচনৰ অধ্যক্ষ ইটা য়ুলিয়াটীয়ে প্ৰকাশ কৰা অনুসৰি প্ৰতিযোগিতাখনৰ ৫৩ সংখ্যক সংস্কৰণৰ বাবে এইবাৰ অভিলেখ সংখ্যক ৮৬ খন দেশ আৰু অঞ্চলে ইতিমধ্যে পঞ্জীয়ন কৰিছে। তেওঁ কয়, যে সাধাৰণতে প্ৰায় ৭০ খন দেশেহে এই প্ৰতিযোগিতাত ভাগ লয়।

এই প্ৰতিযোগিতাখনত বিশ্বৰ বিভিন্ন প্ৰান্তৰ ৬০০ গৰাকীতকৈও অধিক খেলুৱৈয়ে আৰ্টিষ্টিক জিমনাষ্টিকছৰ ক্ষেত্ৰত নিজা নিজা পাৰদৰ্শিতা প্ৰদৰ্শন কৰিব। এই বাৰ্ষিক প্ৰতিযোগিতাখনত পুৰুষ আৰু মহিলা উভয় শিতানতে খেলুৱৈসকলে স্বকীয় প্ৰতিভা প্ৰদৰ্শনৰ সুযোগ লাভ কৰে। ১৯০৩ চনত প্ৰথমবাৰৰ বাবে পুৰুষৰ বাবে অনুষ্ঠিত প্ৰতিযোগিতাখনত ১৯৩৪ চনৰ পৰা মহিলায়ো প্ৰতিদ্বন্দ্বিতা কৰি আহিছে।

০০০০০

সমাপ্ত